# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 13-10-2024
**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::::::::**

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱ উপলক্ষে ৰাজ্যৰ নামঘৰ, সত্ৰসমূহত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে গুৰুজনাৰ জন্মস্থান বটদ্ৰবা থানকে ধৰি নগাঁও জিলাৰ বিভিন্ন প্ৰান্ততো বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ তিথি পালন কৰা হৈছে। বিশেষকৈ বটদ্ৰৱা সত্ৰত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হৈছে। ইপিনে, নগাঁও জিলা সত্ৰ মহাসভাৰ উদ্যোগত কলিয়াবৰৰ জখলাবন্ধা সত্ৰত গুৰুজনাৰ জন্মোৎসৱ সমূহীয়াভাৱে আয়োজন কৰা হৈছে।

মহাপুৰুষীয়া বৈষ্ণৱ পন্থাৰ পীঠস্থান মাজুলীৰ সত্ৰসমূহতো তিনিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ জন্মোৎসৱ অনুষ্ঠিত কৰা হৈছে। বিভিন্ন নামঘৰত বৰগীত, দিহানাম আৰু চিত্ৰাংকন প্ৰতিযোগিতা আয়োজন কৰা হৈছে। কালি পুৱাৰ ভাগত ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হোৱাৰ পাছত ধৰ্মালোচনা সভাৰ লগতে নিশালৈ মাজুলীৰ প্ৰায়সংখ্যক নামঘৰত ভাওনা পৰিৱেশন কৰা হয়।

সত্ৰনগৰী বৰপেটাৰ লগতে জিলাখনৰ প্ৰায় সকলো সত্ৰ, নামঘৰত মহাপুৰুষজনাৰ আৱিৰ্ভাৱ তিথি পালন কৰা হৈছে। বৰপেটা সত্ৰত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱ পালন কৰা হয়। এই উপলক্ষে নাম প্ৰসংগ, ভাগৱত ভ্ৰমণ, ধৰ্মালোচনা সভা আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। সত্ৰৰ ঐতিহ্যমণ্ডিত টুপৰ চোতালত আইসকলৰ নামেৰে আজি আৱিৰ্ভাৱ কাৰ্যসূচীৰ সামৰণি পৰে। একেদৰে গুৰুজনাই জীৱনৰ সৰ্বাধিক সময় অতিবাহিত কৰা পাটবাউসীৰ শংকৰদেৱৰ থান, সুন্দৰীদিয়া সত্ৰ, গণককুচি সত্ৰ, বাৰাদি সত্ৰ, কমাৰকুচি সত্ৰ আদিত আৱিৰ্ভাৱ মহোৎসৱৰ আয়োজন কৰা হৈছে। বৰপেটা ৰোডৰ শাখা সত্ৰ-নামঘৰত তিনিদিনীয়া কাৰ্যসূচীৰে আৱিৰ্ভাৱ মহোৎসৱ অনুষ্ঠিত হৈছে। হাউলীৰ দলাগাঁৱতো দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে কালিৰে পৰা জন্মোৎসৱ পালন কৰা হয়।

গুৱাহাটী মহানগৰীত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ১২৯ খন শাখাই নামঘৰসমূহত মহাপুৰুষজনাৰ জন্মোৎসৱ পালন কৰিছে। এই উপলক্ষে আজি প্ৰাতঃ প্ৰসংগ, পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, শোভাযাত্ৰা, ধৰ্মালোচনা সভাকে ধৰি বিভিন্ন কাৰ্যসূচী শাখাসমূহে আয়োজন কৰিছে। ইপিনে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্যোগত আৰু গুৱাহাটী মহানগৰীৰ জিলা শাখাৰ আতিথ্যত তথা বৃহত্তৰ গুৱাহাটীৰ ৰাইজৰ সহযোগত অহা ১৯ আৰু ২০ অক্টোবৰত ৰূপনগৰৰ বংশীৰাম বড়ো সমন্বয় ক্ষেত্ৰত কেন্দ্ৰীয়ভাৱে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হ'ব। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ হাজো জিলা শাখাৰ উদ্যোগতো মহাপুৰুষজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উলহ মালহেৰে পালন কৰা হয়। জিলা শাখাৰ শিশু, যুৱ আৰু আই মাতৃ সমাৰোহৰ কাৰ্যসূচীও আৱিৰ্ভাৱ মহোৎসৱৰ লগত সংগতি ৰাখি অহা ২৫ আৰু ২৬ অক্টোবৰত পৰিকল্পনা কৰি হৈছে।

ওদালগুৰিতো ৩ দিনীয়া কাৰ্যসূচীৰে পালন কৰা আৱিৰ্ভাৱ মহোৎসৱৰ প্ৰথম দিনা বীৰ নাম পৰিৱেশন কৰাৰ লগতে ভাগৱত ভ্ৰমণৰে চহৰখন পৰিভ্ৰমণ কৰা হয়। কোকৰাঝাৰৰ গোসাইগাওঁত শ্ৰীমন্ত শংকৰদেৱ শাখা সত্ৰই

আয়োজন কৰা আৱিৰ্ভাৱ মহোৎসৱৰ আজি দ্বিতীয় দিনা উলিওৱা ভাগৱত শোভাযাত্ৰাত অসম সত্ৰ মহাসভাৰ সভাপতি উপস্থিত থাকে।

তিনিচুকীয়াত মহাপুৰুষজনাৰ জন্মোৎসৱ উপলক্ষে জিলাৰ নামঘৰসমূহ হৰিনামেৰে মুখৰিত হৈ উঠে। তিনিচুকীয়া নগৰৰ সমীপৰ ৰঙাগড়াত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। তৈল নগৰী ডিগবৈতো গুৰুজনাৰ জন্মোৎসৱ নানা জাতি জনগোষ্ঠী আৰু ধৰ্মীয় পৰম্পৰাৰ লোকসকলৰ উপস্থিতিত উষাকীৰ্তন, ভাগৱত ভ্ৰমণ আৰু নাম প্ৰসংগৰ দৰে কাৰ্যসূচীৰ ৰূপায়ণেৰে পালন কৰা হয়।

দেশৰ ৰাজধানী দিল্লী চহৰতো আজি উলহ মালহেৰে মহাপুৰুষজনাৰ জন্মোৎসৱ পালন কৰা হয়। দিল্লীৰ অসম হাউচত কীৰ্তন সংঘৰ উদ্যোগত সম্পূৰ্ণ অসমীয়া ৰীতি-নীতিৰে নাম প্ৰসংগ আৰু আনুসংগিক কাৰ্যসূচী ৰূপায়ণ কৰি গুৰুজনাৰ আৱিৰ্ভাৱ তিথি পালন কৰা হয়। কাৰ্যসূচীত ৩ শতাধিক লোকে অংশগ্ৰহণ কৰে।

০০০

ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীৰ কালি দশমী বিহিত পূজা আৰু অপৰাজিতা পূজা সম্পন্ন কৰাৰ পাছত নৱপত্ৰিকা আৰু ঘট বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন হয়। অৱশ্যে বিভিন্ন স্থানত আজিও দেৱীৰ মৃন্ময় প্ৰতিমা বিসৰ্জন দিয়া হৈছে। গুৱাহাটী মহানগৰীত কালিৰে পৰা তিনিদিনীয়াকৈ প্ৰতিমা বিসৰ্জনৰ ব্যৱস্থা কৰা হৈছে। কালি ৫৫ খন প্ৰতিমা বিসৰ্জন দিয়াৰ পাছত আজি দুই শতাধিক প্ৰতিমা বিসৰ্জন দিয়া হয়। জিলা প্ৰশাসনে নিৰ্ধাৰণ কৰি দিয়া ২৭ টা ঘাটত বিসৰ্জন প্ৰক্ৰিয়া সম্প্ৰতিও অব্যাহত আছে। প্ৰতিমাৰ সংখ্যালৈ চাই কোনো কোনো ঘাটত পুৱতি নিশালৈকে বিসৰ্জন পৰ্ব চলাৰ সম্ভাৱনা আছে। বিসৰ্জন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ অগণন লোকে মহানগৰীৰ পথৰ দুয়োকাযে ভীৰ কৰা পৰিলক্ষিত হৈছে। বিসৰ্জন প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ বাট পথসমূহত যান-জঁটৰ সমস্যা লাঘৱ কৰাৰ বাবে যান বাহন আৰক্ষীয়ে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

শিৱসাগৰ জিলাতো কালি পৰম্পৰাগত ৰীতি-নীতিৰে বিজয়া দশমীৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ পাছত আজি নগৰখনৰ প্ৰায় ২০ খন প্ৰতিমা বিসৰ্জন দিয়া হ'ব। যোৰহাট জিলাত জিলা আয়ুক্তৰ পৰ্যবেক্ষণত দেৱী দুৰ্গাৰ মৃন্ময় প্ৰতিমা সুকলমে বিসৰ্জন কৰা হয়।

হাইলাকান্দিতো একেদৰে শাৰদীয় দুৰ্গোৎসৱৰ পাছত প্ৰতিমা বিসৰ্জন কাৰ্যসূচী জিলা প্ৰশাসনৰ সক্ৰিয় সহযোগত সম্পন্ন হৈছে।

এই সন্দৰ্ভত হাইলাকান্দিৰ পৰা আমাৰ সংবাদদাতা নিলোৎপল দেৱ ঃ-

ভইছ কাষ্ট

ইফালে, নগাওঁ জিলাত দুৰ্গা পূজাৰ সময়খিনিত নিয়োজিত আৰক্ষী জোৱান আৰু কৰ্মচাৰীসকলক আজি বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। শাৰদীয় দুৰ্গোৎসৱৰ সময়ছোৱাত পৰিয়ালৰ পৰা আঁতৰি থাকি নিষ্ঠাৰে কৰ্তব্য পালন কৰা আৰক্ষীসকলক বিধায়কগৰাকীয়ে নগাওঁ আৰক্ষী চাউনীত অনুষ্ঠিত এটা কাৰ্যসূচীত ধন্যবাদ জ্ঞাপন কৰে।

০০০

ঃঃ সমাপ্ত ঃঃ